জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৬৩/২০২২

## ‘বিকাশৰ বাবে এটা পখেক’ কাৰ্যসূচীৰ অধীনত মাজুলীত ৮৯৪ কোটি টকাৰ প্ৰকল্পৰ শিলান্যাস তথা শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ

## আধ্যাত্মিকতা, পৰম্পৰা আৰু বৰ্ণাঢ্য সংস্কৃতিৰে সমৃদ্ধ মাজুলী সম্প্ৰতি বিকাশৰ দিশত দ্ৰুত গতিত অগ্ৰসৰ হৈছে ঃ মুখ্যমন্ত্ৰী

## মাজুলীক বাণিজ্যিক চাহিদা সম্পন্ন বৃক্ষৰ ‘হাব’ হিচাপে গঢ়ি তুলিবলৈ কৃষকসমাজক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১১ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ‘বিকাশৰ বাবে এটা পখেক’ কাৰ্যসূচীৰ অধীনত আজি মাজুলী জিলাত প্ৰায় ৮৯৪ কোটি টকাৰ প্ৰকল্পৰ শিলান্যাস তথা শুভ উদ্বোধন কৰে। এই উপলক্ষে মুখ্যমন্ত্ৰীয়ে সোৱণশিৰি আৰু লুইত নদীৰ ওপৰত দুখন দলংসহ মাজুলীৰ বালিচাপৰিৰ পৰা লক্ষীমপুৰৰ বঙালমাৰা সংযোগী পথ নিৰ্মাণৰ অৰ্থে ভূমি পূজাত অংশগ্ৰহণ কৰে। অসম চৰকাৰৰ ধ্বজাবাহী আঁচনি অসম মালাৰ অধীনত ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্পৰ প্ৰকল্প ব্যয় হৈছে ৬৯৪ কোটি টকা। মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্পৰ বাবে যিবোৰ পৰিয়ালৰ পৰা ভূমি অধিগ্ৰহণ কৰা হৈছে তেনে পৰিয়ালসমূহক আনুষ্ঠানিকভাৱে ক্ষতিপূৰণৰ ধনৰাশিৰো চেক প্ৰদান কৰে।

‘বিকাশৰ বাবে এটা পখেক’ কাৰ্যসূচীৰ অধীনত মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ৫১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলৈ লোৱা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, ৫ কোটি টকা ব্যয় সাপেক্ষে বনগাঁৱত চৰকাৰী কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানক উৎকৰ্ষতা কেন্দ্ৰ হিচাপে উন্নীতকৰণ প্ৰকল্প, ১৪ কোটি টকা ব্যয় সাপেক্ষে কেন্দ্ৰীয় মধ্যাহ্ন ভোজন ৰন্ধ গৃহৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে, অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ সহযোগত স্থাপন হ’বলগীয়া এই কেন্দ্ৰীয় মধ্যাহ্ন ভোজন ৰন্ধন গৃহৰ জৰিয়তে মাজুলী জিলাৰ শিক্ষাৰ্থীসকলক পুষ্টিদায়ক খাদ্য প্ৰদানৰ পৰিকল্পনা লোৱা হৈছে। আনহাতে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি জিলাখনৰ বানপানী সমস্যা দূৰীকৰণৰ উদ্দেশ্যে ২৯ .৮৭ কোটি টকা ব্যয় সাপেক্ষে ব্ৰহ্মপুত্ৰৰ পাৰত জাবৰচুকৰ পৰা হালধিবাৰীলৈ ৰিং বান্ধ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ৩.৫ কোটি টকা ব্যয় সাপেক্ষে ব্ৰহ্মপুত্ৰৰ ওপৰত পোহাৰদিয়াৰ পৰা আলিমূৰলৈ, ১.৯৬ কোটি টকা ব্যয় সাপেক্ষে আদি এলেঙীৰ পৰা পহুমৰালৈ, ৭.৬৬ কোটি টকা ব্যয় সাপেক্ষে টেকেলিফুটাৰ পৰা পতিয়া তিনিআলিলৈ, ৪.০৪ কোটি টকা ব্যয় সাপেক্ষে আলিমূৰ ভকতচাপৰিৰ পৰা জামুগুৰি তিনিআলিলৈ, ১.১৪ কোটি টকা

ব্যয় সাপেক্ষে বাঁহগুৰিৰ পৰা মহৰিচুকলৈ আৰু ১.২০ কোটি টকা ব্যয় সাপেক্ষে গড়মূৰ ওখলচুক পথৰ পৰা অসম আৰক্ষী অনাতাঁৰ বিভাগৰ প্ৰস্তাৱিত কাৰ্যালয়লৈ পথ নিৰ্মাণকে ধৰি মুঠ ৬ টা পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কেইবাটাও ৩৩X১১ কেভি বিদ্যুৎ উপকেন্দ্ৰৰো আধাৰশিলা স্থাপন কৰে।

আজি মাজুলী ভ্ৰমণ কালতে মুখ্যমন্ত্ৰীয়ে 'স্বদেশ দৰ্শন' আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা কলাবাৰী ঘাট উন্নয়ন প্ৰকল্প, জনজাতীয় 'থীম ভিলেজ', জেংৰাইমুখ আৰু চামগুৰি সত্ৰৰ ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। বানপানীৰ সময়ত নামনি মাজুলীবাসী ৰাইজৰ সুবিধাৰ্থে কৰতিপাৰত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ দ্বাৰা ২.৫১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এটা বহুমুখী বান আশ্ৰয়গৃহও উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে। তদুপৰি তেওঁ ফুলনিৰ পৰা বনগাঁও হৈ অফলামুখ ঘাটলৈ ৰাইজৰ যাতায়াত সুচল কৰাৰ উদ্দেশ্যে নাবাৰ্ড আৰু ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি (গ্ৰামীণ)ৰ শিতানৰ ধনেৰে ১৯.৯৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা পথটোও আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে লুইতৰ ওপৰত প্ৰস্তাৱিত দলংখন দুই বছৰৰ ভিতৰত আৰু সোৱণশিৰিৰ ওপৰত প্ৰস্তাৱিত দলংখন নিৰ্মাণকাৰ্য ৩ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে ৰাজ্য চৰকাৰে লক্ষ্য লৈছে। তেওঁ লগতে সদৰে কৰে যে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়খন ৰাজ্যিক বিশ্ববিদ্যালয়লৈ উন্নীত কৰা হ'ব আৰু ৩ টা পৰ্যায়ত এই বিশ্ববিদ্যালয়খনৰ বাবে সৰ্বমুঠ ২০০ কোটি টকা ৰাজ্য চৰকাৰে ব্যয় কৰিব। অৰুণোদয় আঁচনিৰ অধীনত অহা ১৪ ডিচেম্বৰৰ পৰা ৰাজ্য চৰকাৰে নতুন হিতাধিকাৰী অন্তৰ্ভুক্তিৰ কাম আৰম্ভ কৰিব বুলি প্ৰকাশ কৰি তেওঁ কয় যে মাজুলী জিলাত এই আঁচনিখনৰ অধীনত নতুনকৈ ৫ হাজাৰ হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰা হ'ব। তেওঁ লগতে কয় যে জিলাখনত নতুন ৫ হাজাৰ হিতাধিকাৰীয়ে ৰেচন কাৰ্ড লাভ কৰিব আৰু সকলো ৰেচন কাৰ্ড থকা ব্যক্তিয়েই যাতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিৰ অধীনত ৫ লাখ টকা পৰ্যন্ত চিকিৎসা সেৱা লাভ কৰিব পাৰে সেয়া সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা হাতত লৈছে।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কয় যে আধ্যাত্মিকতা, পৰম্পৰা আৰু বৰ্ণাঢ্য সংস্কৃতিৰে সমৃদ্ধ মাজুলী সম্প্ৰতি বিকাশৰ দিশত দ্ৰুত গতিত অগ্ৰসৰ হৈছে। ইয়ে একেসময়তে অঞ্চলটোৰ স্বকীয়তা সুৰক্ষিত কৰি ৰখাৰ দিশত অঞ্চলবাসীলৈ এক নতুন প্ৰত্যাহ্বানো আনি দিছে। উন্নয়নৰ সুফলসমূহ লাভ কৰাৰ সমান্তৰালকৈ নদীদ্বীপটোৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনশৈলী সুৰক্ষাৰ দিশত মাজুলীবাসীয়ে ব্ৰতী হৈ থাকিব বুলিও তেওঁ দৃঢ় মত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে চৰকাৰী কাৰ্যালয়ত শাৰীৰিক উপস্থিতি অবিহনে জনসাধাৰণে যাতে চৰকাৰী সেৱাসমূহ লাভ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে প্ৰযুক্তিৰ উপযুক্ত ব্যৱহাৰৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰিছে।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু সাংসদ প্ৰদান বৰুৱাই ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত মাজুলীৰ বিধায়ক ভুবন গামে শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, শক্তি আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা, বিধায়ক অমিয় কুমাৰ ভূঞা, নৱ কুমাৰ দলে আৰু

মানৱ ডেকা, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েংগীয়া, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, জিলা পৰিষদৰ অধ্যক্ষ পাপু হাজৰিকা দত্ত আৰু মাজুলী জিলাৰ উপায়ুক্ত পুলক মহন্তকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই 'আমাৰ মাজুলী' শীৰ্ষক পদক্ষেপৰ অধীনত গড়মূৰৰ শ্ৰীশ্ৰী শংকৰদেৱ কৃষ্টি সংঘত অনুষ্ঠিত এখন কৃষক গাঁও সভাতো অংশগ্ৰহণ কৰে। এই উপলক্ষে প্ৰদান কৰা ভাষণত তেওঁ জিলাখনত স্থাপন কৰা ধান ক্ৰয় কেন্দ্ৰটোত ২০৪০ টকা ন্যূনতম সমৰ্থিত মূল্যত ধান বিক্ৰী কৰিবলৈ কৃষক সমাজক আহ্বান জনায়। তেওঁ কয় যে বিগত বৰ্ষত জিলাখনৰ কৃষকসকলে চৰকাৰী ধান ক্ৰয় কেন্দ্ৰত ১৩৬০ মেট্ৰিকটন ধান বিক্ৰী কৰিছিল। বিক্ৰীৰ এই পৰিমান দুগুণ কৰিবলৈ তেওঁ কৃষকসকলক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, পি এম কিষাণ আৰু মিছন বসুন্ধৰা ২.০ আদিৰ দৰে আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰিবলৈও কৃষকসকলক আহ্বান জনায়। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মাজুলীক বাণিজ্যিক চাহিদা সম্পন্ন বৃক্ষৰ এক 'হাব' হিচাপে গঢ়ি তুলিবলৈও কৃষকসকলক আহ্বান জনায়।

এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, শক্তি আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা, সাংসদ প্ৰদান বৰুৱা, বিধায়ক মানৱ ডেকা আৰু ভূৱন গাম, মাজুলী জিলাৰ উপায়ুক্ত পুলক মহন্তকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ / নিঃকুঃদাঃ**
**১১/১২/২০২২**